

## আহ্বান

### শাখা সভা আৰু জিলা সভাৰ পত্ৰিকা

অসম সাহিত্য সভাৰ শাখা আৰু জিলা সভাসমূহে সুদীৰ্ঘ দিন ধৰি পত্ৰিকা প্ৰকাশ কৰি আহিছে। এই পত্ৰিকাসমূহৰ মূল্যায়ন আৰু সমীক্ষাৰ বাবে এক পৰিকল্পনা হাতত লোৱা হৈছে। সভাৰ সকলো শাখা আৰু জিলাৰ পত্ৰিকা তলত দিয়া নিৰ্দেশনা অনুসৰি প্ৰেৰণ কৰিবলৈ আহ্বান জনোৱা হ'ল। (ক) পত্ৰিকাৰ শেহতীয়া সংখ্যাটো প্ৰেৰণ কৰিব লাগিব (যদি সম্ভৱ হয় আগৰ সংখ্যাও পঠাব), (খ) পত্ৰিকাৰ ধাৰাবাহিকতা আৰু পূৰ্বৰ সম্পাদকসকলৰ তথ্য, (গ) প্ৰেৰণৰ বাবে ঠিকনা - ডক্টৰ অৰবিন্দ ৰাজখোৱা, (পত্ৰিকা সম্পাদক, অসম সাহিত্য সভা), সহযোগী অধ্যাপক, নৰ্থ লখিমপুৰ কলেজ, ডাক- খেলমাটি, লখিমপুৰ - ৭৮৭০৩১, অসম।



ISSN : 2277-9515
Asam Sahitya Sabha Patrika
₹80 (INR)

অসম সাহিত্য সভা পত্ৰিকা ৭৯ তম বৰ্ষ ॥ প্ৰথম সংখ্যা ॥ এপ্ৰিল-মে'-জুন, ২০২৫ সম্পাদক ঃ ডক্টৰ অৰবিন্দ ৰাজখোৱা

ISSN : 2277-9515

# অসম সাহিত্য সভা পত্ৰিকা

অসম সাহিত্য সভা

ঊনাশীতিতম বৰ্ষ, প্ৰথম সংখ্যা
এপ্ৰিল-মে'-জুন ঃ ২০২৫ খ্ৰীষ্টাব্দ
১৯৪৭ শক ঃ ৫৭৬ শংকৰাব্দ

সম্পাদক

ডক্টৰ অৰবিন্দ ৰাজখোৱা

# অসম সাহিত্য সভা পত্ৰিকা

| ঊনাশীতিতম বৰ্ষ | এপ্ৰিল-মে-জুন, ২০২৩ খ্ৰীষ্টাব্দ | প্ৰথম সংখ্যা | ISSN : 2277-9535 |
|---|---|---|---|

## সূচীপত্ৰ

প্ৰধান সম্পাদকৰ কলম ৫

সম্পাদকীয় ৭

সভাৰ কৰণীয়
▶ ড° বসন্ত কুমাৰ গোস্বামী ৯

বিজ্ঞান জনপ্ৰিয়কৰণৰ বাবে অসমীয়া লেখনী
▶ ড° দীনেশ চন্দ্ৰ গোস্বামী ১৩

ভাৰতীয় সাহিত্যত 'মেজিক ৰিয়েলিজম': এটি আলোচনা
▶ ড° গীতালী শইকীয়া ১৭

ভাৰতীয় নাটকত ভাৰতীয়ত্ব বিচাৰৰ তত্ত্ব কথিত :
এক ঐতিহাসিক অধ্যয়ন
▶ ড° মৃণাল জ্যোতি গোস্বামী ২৩

উত্তৰআধুনিকতাবাদ : প্ৰসংগ আৰু পটভূমি
▶ অভিজিৎ হাজৰিকা ৩৩

উত্তৰ ঔপনিবেশিকতাবাদ : এক সংক্ষিপ্ত আলোচনা
▶ উৎপল মেধি ৪৬

নব্য মাধ্যমত অসমীয়া সাহিত্য : গতি আৰু প্ৰকৃতি
▶ ড° নন্দিনীতা দত্ত ৫৩

উৎপত্তি আৰু ক্ৰমবিকাশৰ ফালৰ পৰা অসমীয়া
ভাষাৰ ধ্ৰুপদী মৰ্যাদা
▶ ড° অৰুণজ্যোতি শৰ্মা ৬১

ব্যাকৰণগত বিষয়
▶ ড° বিশ্বজিৎ দাস ৭৮

# অসম সাহিত্য সভা পত্ৰিকা

ঊনাশীতিতম বৰ্ষ, প্ৰথম সংখ্যা
এপ্ৰিল-মে'-জুন ঃ ২০২৫ খ্ৰীষ্টাব্দ
১৯৪৭ শক ঃ ৫৭৬ শংকৰাব্দ

সম্পাদক
ডক্টৰ অৰবিন্দ ৰাজখোৱা

অসম সাহিত্য সভা পত্ৰিকা

| ঊনাশীতিতম বৰ্ষ | এপ্ৰিল-মে'-জুন, ২০২৫ খ্ৰীষ্টাব্দ | প্ৰথম সংখ্যা | ISSN : 2277-9515 |
|---|---|---|---|

# ব্যাকৰণগত বিষয়

ডক্টৰ বিশ্বজিৎ দাস

১

ইংৰাজী Grammaticality বা Grammaticalness-ৰ অসমীয়া পৰিভাষা 'ব্যাকৰণগত বিষয়' বা ব্যাকৰণগততা। ব্যাকৰণগত বিষয়ৰ প্ৰসংগ সৃজনীশীল বা ৰূপান্তৰ উৎপাদক ব্যাকৰণ অৰ্থাৎ Generative Grammar-ৰ লগত ঘনিষ্ঠভাৱে যুক্ত। চমস্কিয়ে উৎপাদক ব্যাকৰণৰ প্ৰসংগত system of rules আৰু semantic interpretations-ৰ কথা উল্লেখ কৰিছে। কাৰণ system of rules সমূহেই হৈছে ভাষা এটাৰ ব্যাকৰণ আৰু ভাষা এটাৰ ব্যাকৰণসিদ্ধ নিয়মে সৰ্বহি সকলো জনিছৰে বাক্যৰ অৰ্থবোধত সহায় কৰে। বাক্য অব্যাকৰণগত হ'লে অৰ্থবোধ পৰিষ্কাৰ নহয় অথবা অস্পষ্টতাৰ অৰ্থ প্ৰকাশ নাপায়।

সেয়েহে কোনো ভাষাৰ 'ব্যাকৰণগত বিষয়' বাক্যৰ অপৰিহাৰ্য তথা ব্যাকৰণসিদ্ধ (Grammatical)) হ'ব লাগিব। তলত 'ব্যাকৰণগত বিষয়'ৰ বৈশিষ্ট্যসমূহ সংজ্ঞাৰ উল্লেখ কৰা হ'ল, যিসমূহে ব্যাকৰণগত বিষয়ৰ মূল্যায়ন কৰাত আমাক সহায় কৰিব—

*Concise Oxford Companion to the English Language*-ৰ মতে Grammaticality হ'ল—

"In LINGUISTICS, conformity to the rules of a language as formulated by a GRAMMAR based on a theory of language description. The concept became prominent with the rise of GENERATIVE GRAMMAR in the 1960s, whose primary aim has been the construction of rules that would distinguish between the grammatical or well-formed SENTENCES and the ungrammatical, DEVIANT, or ill-formed sentences of a language."

অশেষ সেন ডেকাই ব্যাকৰণগত বিষয়ৰ সংজ্ঞা দাঙি ধৰিছে এনেদৰে—

"...ভাষা এটাৰ বাক্য-সংগঠনত থকা বিভিন্ন শব্দ বা বাক্যাংশৰ বৈয়াকৰণিক উপাদানসমূহে